# উদ্যান শস্য আৰু গ্ৰাম্য অৰ্থনীতি

সভ্যতাৰ প্ৰাথমিক স্তৰতেই কৃষি কাৰ্যত জড়িত হৈ পৰাৰ সন্ধিক্ষণত মানুহে বনৰীয়া উদ্ভিদ আৰু সেইবোৰৰ মূল, ফল, বীজ ইত্যাদি খাদ্য উৎস হিচাপে সংগ্ৰহ কৰিবলৈ লয়। বিশ্ব পৰিক্ৰমাত চাবলৈ হ'লে দেখা যায় যে ৯০০০-৭০০০ খৃষ্টপূৰ্ব্বতে কৃষি কাৰ্যত জড়িত হৈ পৰা মানুহ, আদি অৱস্থাত কৃষি শস্য উৎপাদনকাৰী ৰূপত অৱতীৰ্ণ হোৱাৰ পৰিবৰ্তে এইবোৰ সংগ্ৰহকাৰী ৰূপত হে অৱতীৰ্ণ হৈছিল। কালক্ৰমত খৃষ্টাব্দ ১৯শ শতিকাৰ পৰা ঔদ্যোগিক বিকাশ ত্বৰান্বিত হ'ব ধৰাত কৃষিকাৰ্য্য স্থায়ী (Settled) ৰূপ পৰিগ্ৰহ কৰিব ধৰে আৰু ঔদ্যোগিক ক্ষেত্ৰলৈ ৰাহি উৎপাদন প্ৰৱাহিত কৰাই কৃষি খণ্ডৰো উন্নতিৰ ধাৰাবাহিকতাৰ সৃষ্টি হয়। স্থায়ী পথাৰ শস্য উৎপাদন ব্যৱস্থা প্ৰৱৰ্ত্তন হোৱাৰ সমান্তৰালকৈ কৃষিৰ এক উপখণ্ড 'উদ্যান শস্য'ৰো বিকাশ হ'ব ধৰে। বনৰীয়া অৱস্থাত থকা বিভিন্ন প্ৰকাৰৰ উদ্ভিদ ঘৰচীয়াকৰণ কৰাৰ পৰিণতিত কৃষিৰ এই উপখণ্ডৰ বিস্তাৰ হ'ব ধৰে। জনসংখ্যা বৃদ্ধিৰ ফলত বনাঞ্চল সংকুচিত হৈ পৰাৰ বাবে প্ৰাকৃতিক অৱস্থাত পোৱা খাদ্য, ঔষধি, আদি শস্যৰ উৎস আৰু শোভাবৰ্ধক উদ্ভিদৰ ঘৰচীয়া কৰণ তথা এইবোৰ শৃঙ্খলাবদ্ধ ৰোপণ আজিকোপতি মানৱ সমাজত প্ৰচলিত হৈয়েই আছে। পৰিণতিত পথাৰ কৃষি ব্যৱস্থাৰ সমান্তৰালকৈ ওখ ঠাইত বিশেষকৈ মানুহৰ বসতিস্থলৰ সৈতে বা ইয়াৰ নাতি দূৰৈত 'উদ্যান শস্য'ৰ প্ৰচলন হ'ব ধৰে। নানা প্ৰকাৰৰ ফল, মূল, শাক-পাচলি, ফুল, শোভা বৰ্ধক আৰু ঔষধি উদ্ভিদ, মছলাজাতীয় উদ্ভিদ আদিৰ

ৰোপণ, লালন-পালন, শস্য আহৰণ, এইবোৰৰ প্ৰক্ৰিয়াকৰণ আদিক সামৰি সম্প্ৰতি 'উদ্যান শস্য' ৰ বিস্তৃতি। মানুহৰ জীৱন নিৰ্বাহৰ মান উন্নত হোৱাৰ লগে লগে সাধাৰণ কৃষি শস্যৰ তুলনাত অধিক মূল্য দিব পৰা উদ্যান শস্যসমূহৰ চাহিদা দ্ৰুত গতিত বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। এই শস্য সমূহৰ বৰ্দ্ধিত চাহিদাই গ্ৰাম্য অৰ্থব্যৱস্থাত কম জমিৰ পৰাই অধিক উৎপাদন আৰু অধিক নগদ উপাৰ্জনৰো সম্ভাৱনীয়তা আনি দিছে।

বিশ্বৰ লেখত ল'বলগীয়া শাস্ত্ৰীয় উপমাত উল্লেখিত ইডেন্ গাৰ্ডেন, নন্দন কানন, জান্নাতুল বাকী আদি মানুহৰ ইংগিত প্ৰশান্তিৰ উৎসসমূহ - বৃক্ষ , তৰু-লতা, ফল-মূল, ফুল আদিৰ সমাহাৰ বুলি জনা যায়। ভাৰতীয় প্ৰেক্ষাপটত উদ্যান শস্যৰ প্ৰসাৰ বিস্তাৰৰ অনেক নজিৰ ইতিহাসৰ পাতত দেখা যায়। শ্ৰীৰাম চন্দ্ৰই হেনো বনবাসৰ প্ৰথমটো দিন তপসতৰুৰ তলত কটাইছিল। হনুমন্তই শ্ৰীৰাম চন্দ্ৰৰ বাৰ্ত্তা লৈ শ্ৰীলংকাত আবদ্ধ হৈ থকা সীতাক অশোক বাগানৰ অশোক গছৰ তলত সাক্ষাৎ কৰিছিল। মহাভাৰতৰ শোভা পৰ্বত ব্যাসদেৱে দাঙি ধৰা বাগিছা এখনৰ সৌন্দৰ্য্যত প্ৰভাৱ পেলোৱা বিভিন্ন ফল-ফুল গছ যেনে- অশোক, চম্পক, নাগচম্পা, শাল, আম আদিৰ বিৱৰণ অনন্য। এনেবোৰ বৃক্ষ পাণ্ডৱসকলৰ ৰাজধানী ইন্দ্ৰ প্ৰস্থতো শৃঙ্খলাবদ্ধভাৱে ৰোপণ কৰাৰ বিৱৰণ পোৱা যায়। চিত্ৰকুট বৰ্ণনতো তেনে এক অপৰূপ বাগিছাৰে বিস্তৃত বৰ্ণনা পোৱা যায়। কালিদাসৰ মহৎ সাহিত্য কৰ্মৰাজিৰ প্ৰায়বোৰতে গছ-গছনিৰ সৌন্দৰ্য্যৰ বিৱৰণে বাগিছা সংস্কৃতিৰ ঐতিহাসিক প্ৰেক্ষাপট দাঙি ধৰে। তেওঁৰ সৃষ্টিৰাজিত অশোক, মাধৱী, কদম, অৰ্জুন, বকুল, পাৰিজাত ইত্যাদি গছ-গছনিৰ বিৱৰণ পোৱা যায়। মোগল ৰাজত্বৰ সময়তো সৌন্দৰ্য্য বৰ্ধক উদ্যান সৃষ্টিকাৰ্য ৰজা মহাৰজা সকলৰ অন্যতম প্ৰধান কাৰ্য বুলি বিবেচিত হৈছিল। মোগলৰ শাসন কালত বাবৰ, আকবৰ, জাহাঙ্গীৰ, ছাহজাহান আদি সম্ৰাটে ক্ৰমে আগ্ৰা, দিল্লী, কাশ্মীৰ উপত্যকা, লাহোৰ, পিঞ্জোৰ, পাঞ্জাৱ আদি ঠাইত নানা উদ্ভিদৰ পয়োভৰেৰে সৌন্দৰ্য্যবৰ্ধক উদ্যানৰ উপৰিও এইসকল সম্ৰাটে ঠায়ে ঠায়ে আপেল, আম, মধুৰী আদি ফল জাতীয় উদ্ভিদৰো বৃহৎ আকাৰৰ উদ্যান গঢ়ি তুলিছিল।

**উদ্যান শস্যৰ অৰ্থনৈতিক গুৰুত্ব ঃ**

সম্প্ৰতি কৃষি খণ্ডৰ দ্ৰুত বিকাশ আৰু কৃষি বিভিন্ন কৰণে (Diversification) ইয়াৰ উপখণ্ড উদ্যান শস্যৰো সম্ভাৱনীয়তা আনি দিছে। পৰিৱৰ্ত্তিত আৰ্থ-সামাজিক অৱস্থা, বৰ্দ্ধিত নগৰীকৰণ, জীৱন ধাৰণৰ মানদণ্ডৰ উত্তৰণ, বৰ্দ্ধিত খাদ্য সচেতনতা, বৰ্দ্ধিত মহিলাৰ কৰ্মত যোগদান আদিয়ে নানা প্ৰকাৰৰ ফল মূলৰ প্ৰক্ৰিয়াকৃত সামগ্ৰীৰ চাহিদাৰ বৃদ্ধি ঘটাইছে। তদুপৰি এনেবোৰ পৰিবৰ্তনে বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদ আৰু আলঙ্কাৰিক ফুল, উদ্ভিদ আদিৰো চাহিদা বৃদ্ধি ঘটাইছে। এই আটাইবোৰ শস্য আৰু শস্য-উৎস 'উদ্যান শস্য' বা 'বাগান শস্য'ৰ অন্তৰ্ভুক্ত। কম জমি ব্যৱহাৰ কৰি অধিক উপাৰ্জন কৰিব পৰা কৃষি খণ্ডৰে এই উপ-খণ্ডটিৰ সুকীয়াকৈ বিকাশ আৰু বিস্তাৰৰ বাবে ভাৰতবৰ্ষই চতুৰ্থ পাঁচবছৰীয়া পৰিকল্পনাৰ পৰাই যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে যদিও আজিকোপতি ইয়াৰ বিকাশ আশাব্যঞ্জক হোৱা নাই। উল্লেখযোগ্য যে ভাৰতবৰ্ষ পৃথিৱীৰ সৰ্বোচ্চ ফল মূল আৰু শাক-পাচলি উৎপাদনকাৰী দেশ যদিও এইবোৰৰ উৎপাদিকা আপেক্ষিক ভাবে বহু দেশৰ উৎপাদিকাতকৈ যথেষ্ট কম।

উদ্যান শস্যৰ উৎপাদন আৰু উৎপাদিকা বৃদ্ধিৰ বাবে ভাৰত চৰকাৰে বিশেষভাৱে ২০০১-২০০২ চনৰ পৰা বিস্তৃত ব্যৱস্থা হাতত ল'ব ধৰে আৰু এইবোৰক সুসংহত কৰাৰ বাবে ২০০৫-০৬ চনৰ পৰা "ৰাষ্ট্ৰীয় উদ্যান শস্য মিছন' (National Horticulture Mission) গ্ৰহণ কৰে। কৃষি খণ্ডৰ মূল-পথাৰশস্য, প্ৰধানকৈ খাদ্য শস্য উৎপাদনত অসমত বজাৰযোগ্য ৰাহি শস্য উৎপাদন কৰাৰ সম্ভাৱনীয়তা তেনেই ক্ষীণ। সঘন আৰু আৱতৰীয়া বানপানী, পুৰণি কৃষি পদ্ধতি, কৃষি জমিৰ খণ্ডিতকৰণ আদিয়ে পৰম্পৰাগত মূল শস্য উৎপাদনত বাধা সৃষ্টি কৰি আছে। ইয়াৰ বিপৰীতে অধিক নগদ মূল্য প্ৰদানকাৰী কম ব্যয় সাপেক্ষ আৰু পৰিৱেশ অনুকূলীয় উদ্যান শস্যৰ সম্ভাৱনীয়তা ক্ৰমে প্ৰকট হৈ আহিছে। সেইবাবে আশীৰ দশকত ভাৰতত আৰম্ভ হোৱা সেউজ বিপ্লৱৰ লেখীয়াকৈ উদ্যান শস্যৰ দ্ৰুত উন্নয়ণৰ বাবে ভাৰত চৰকাৰে সোণালী বিপ্লৱৰ সূচনা কৰিছে। এই বিপ্লৱৰ প্ৰতি কৃষকসকলৰ ইতিবাচক সঁহাৰিয়ে সামগ্ৰিক উদ্যান শস্য বিকাশৰ লগতে তেওঁলোকৰ উপাৰ্জন বৃদ্ধিৰো সম্ভাৱনীয়তা

আনি দিছে।

ৰাষ্ট্ৰীয় উদ্যান শস্য মিছ্ননৰ অধীনত অসমৰ উদ্যান শস্যৰ বাবে থকা সম্ভাৱনীয়তা সূচল কৰাৰ বাবে অসম চৰকাৰো চাৰিটা মিনি মিছ্ননৰ জড়িয়তে বিভিন্ন ব্যৱস্থা হাতত লৈছে। মিনি মিছ্ননসমূহৰ বাবে পৰিকল্পিত ব্যৱস্থাত বাজেট প্ৰদানেৰে উদ্যান শস্যৰ উৎপাদন তথা উৎপাদিকা বৃদ্ধিৰ প্ৰচেষ্টা কৰাৰ লগতে শস্যৰ প্ৰক্ৰিয়াকৰণ-বজাৰীকৰণ আৰু গৱেষণা-লব্ধ বিস্তাৰৰ সুবিধা প্ৰদান কৰা হৈ আছে। যিকোনো এক বা একাধিক শস্য উৎপাদনত বিশেষীকৃতৰূপত মনোনিবেশ কৰিলে উপান্ত, ক্ষুদ্ৰ অথবা বৃহৎ কৃষকে উপাৰ্জন বৃদ্ধি কৰিবলৈ সক্ষম হোৱাৰ সুবিধা আহি পৰিছে। ইতিমধ্যে অসমীয়া বাৰী-সংস্কৃতিত অধিক মূল্য-প্ৰদানকাৰী অনেক শস্য মিশ্ৰিত কৃষি কাৰ্য্য ৰূপত প্ৰচলিত হৈ আছে। অসমৰ জলবায়ু আৰু ভূ-অবয়ব অনেক উদ্যান শস্যৰ অনুকূল। গোলকীকৰণৰ পিছত বজাৰ ব্যৱস্থাৰ দ্ৰুত বিস্তাৰৰ বাবে বাৰীত উৎপাদিত যিকোনো উদ্যান শস্যৰ বিক্ৰীৰ বাবে সম্প্ৰতি কোনো চিন্তাৰ কাৰণ দেখা নাযায়।

**আমাৰ অঞ্চলত উদ্যান শস্যৰ সম্ভাৱনীয়তা ঃ**

গোৱালপাৰা জিলাৰ দুধনৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত সকলো গাঁৱৰ জলবায়ু, ভূ-অবয়ব, কৃষি পৰম্পৰা আৰু বাৰী পৰম্পৰাই মূল পথাৰ শস্যৰ সম্ভাৱনীয়তাতকৈ উদ্যান শস্যৰ সম্ভাৱনীয়তা অধিক বুলি প্ৰতিপন্ন কৰে। মুখ্য কৃষি শস্য ধানৰ উৎপাদন একশস্য কেন্দ্ৰিক (Monocropping) ৰ অধীনত আৰু কেৱল দ ঠাইত বাৰিষা কালত যি ঠাইত পানী জমি থাকে তেনে মাটিতহে কৰা হয়। কিন্তু উদ্যান শস্যৰ উৎপাদন মিশ্ৰিত কৃষি (Mixed Cropping) ৰ অধীনত আৰু বিভিন্নতা অনুসৰি সকলো বতৰত এই কৃষি কাৰ্য্য কৰাৰ উপৰিও মুখ্য কৃষি শস্য চপোৱাৰ পিছতো কম দিনীয়া নানা প্ৰকাৰৰ শাক-পাচলিৰ খেতি সেই মাটিত কৰিব পাৰি।

দেশৰ আন ঠাইৰ দৰে এই অঞ্চলতো জনসংখ্যা বৃদ্ধিৰ বাবে কৃষিজমিৰ পৰিমান টুটি অহাৰ উপৰিও প্ৰাকৃতিক সাৰুৱা গুণ হ্ৰাস হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত কৃষক সকল পৰম্পৰাগত কৃষি ব্যৱস্থা পৰিহাৰ কৰা অপৰিহাৰ্য হৈ পৰিছে। প্ৰাকৃতিকভাৱে এই অঞ্চল উদ্যান শস্য উৎপাদনৰ অনুকূল বাবে

সংকুচিত হৈ পৰা জমিতো উপযুক্ত ভাবে এই কৃষি কাৰ্য কৰিলে অধিক উপাৰ্জন কৰাৰ সুবিধা আহি পৰিছে। উদ্যান শস্য /কৃষি শস্যৰ বাবে লাগতিয়াল সা-সৰঞ্জামৰ পয়োভৰে এই শস্য সম্প্ৰসাৰণৰ সুবিধা, শস্য বজাৰীকৰণৰ সুবিধা আদিৰ উপৰিও চৰকাৰী আৰ্থিক সা-সুবিধাই কৃষক সকলৰ উপাৰ্জন বৃদ্ধিৰ সম্ভাৱনীয়তাও আনি দিছে। এনে সন্ধিক্ষণত শস্য বাচনি কৰি বিজ্ঞানসন্মত ভাবে বাণিজ্যিক ভিত্তিত উদ্যান শস্য উৎপাদনত মনোনিবেশ কৰিলে কৃষক সকলে একেলগে কেবাটাও লাভালাভ পোৱাৰ সম্ভাৱনা দেখা যায়। প্ৰথমতে, বৃহৎ, মজলীয়া, ক্ষুদ্ৰ অথবা উপান্ত খেতিয়কে অতি মূল্যৰ অধিক উৎপাদিকা সম্পন্ন শস্য উৎপাদন কৰিবলৈ সক্ষম হ'ব। প্ৰায়বোৰ উদ্যান শস্য যিহেতু উচ্চ মূল্য সম্পন্ন সেইবাবে এইবোৰৰ উৎপাদন ৰাহি কৰি বজাৰীকৰণ কৰিলে নগদ ধন কৃষকৰ হাতলৈ আহিব। নগদ ধন হাতলৈ আহিলে তেওঁলোকৰ সাধাৰণ কৃষি কাৰ্য্য অৰ্থাৎ পথাৰ কৃষি কাৰ্য্যৰ উন্নতিৰ বাবে লাগতিয়াল উন্নত আঁচবাব কিনিবলৈ সক্ষম হ'ব। এনে বৰ্দ্ধিত কৃষি কাৰ্যই ক্ৰমে কৃষকসকলৰ আৰ্থিক অৱস্থাৰো ক্ৰমে পৰিবৰ্তন সাধিব। ইতিমধ্যে আমাৰ কৃষকসকল যিহেতু পথাৰ শস্য উৎপাদনত ৰাহি উৎপাদন কৰিব নোৱাৰে আৰু সেইবাবে নগদ ধন তেওঁলোকৰ হাতলৈ নাহেই। এনে ক্ষেত্ৰত নগদ ধন অৰ্জন কৰিবলৈ সম্ভাৱনাপূৰ্ণ উদ্যান শস্যই উপযুক্ত বিকল্প উৎস। ক্ষুদ্ৰ বাৰীখনৰ পৰাই একোজনে তামোল, নিমু, শাক-পাচলি, কল, আদা, হালধি, বাঁহ ইত্যাদি বিক্ৰী কৰি নগদ ধন পাব পৰা উদাহৰণ প্ৰতি ঘৰতে দেখা যায়। আমাৰ এই সমূহ শস্যৰে কেৱল বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন কৰিলেই উপযুক্ত উপাৰ্জনৰ উৎস উলিয়াই ল'ব পৰা যায়। উন্নত পদ্ধতিৰে উদ্যান শস্য উৎপাদন কাৰ্য বুলিলে সম্প্ৰতি 'উচ্চ প্ৰযুক্তি উদ্যান' (High Tech Horticulture) বুলি অভিহিত কৰা হয়। প্ৰয়োজনীয় উন্নত মেচিনাৰী, পানীযোগান, উন্নত বীজৰোপণ, উন্নত কীটনাশক দ্ৰব্য (Boichemical) প্ৰয়োগৰ উপৰিও শস্য ৰোপণৰ পৰা চপোৱালৈকে আৰু এইবোৰ বজাৰীকৰণলৈকে উন্নত পৰিচালন ব্যৱস্থাকে 'উচ্চ প্ৰযুক্তি উদ্যান' খেতি বুলি অভিহিত কৰা হয়। দ্বিতীয়তে উদ্যান শস্যত কৃষকে অধিক মনোনিবেশ কৰিলে পৰিৱেশ উন্নতকৰণত তেওঁলোকৰ এক মহৎ অৰিহণা

আগবঢ়োৱা হয়। উদ্যান শস্যৰ সম্প্ৰসাৰণে পৰিৱেশ সেইজীয়া কৰি এক নান্দনিক বাতাবৰণ সৃষ্টি কৰে। সাম্প্ৰতিক ক্ষয়িষ্ণু বনানীৰ বিপৰীতে উদ্যান শস্যৰ সম্প্ৰসাৰণে পৰিৱেশ সন্তুলনত প্ৰভাৱ পেলাব পাৰে। মন কৰিবলগীয়া যে প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ বাবে ন্যুনতম কিবা কৰিব পৰাটোক আধুনিক সভ্যতাৰ এক অন্যতম মাপকাঠি বুলি গণ্য কৰা হয়। গতিকে কম খৰছী আৰু সহজে কৰিব পৰা কৃষি কাৰ্য উদ্যান শস্য উৎপাদনত আমাৰ কৃষক সকল জড়িত হ'লে নিজৰ উপাৰ্জন বৃদ্ধিৰ লগতে পৰিৱেশ সেৱাৰ প্ৰতিও এক অৰিহণা যোগোৱা হ'ব।

ওপৰৰ আলোচনাই আমাৰ অঞ্চলত উদ্যান শস্যৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ ইংগিত বহন কৰে। উদ্যান শস্যৰ বিস্তৃত পৰিসৰৰ পৰা পৰম্পৰাগত শস্য অথবা অভিনৱ শস্য উৎপাদনৰ বিশেষীকৃত ৰূপ গ্ৰহণ কৰিলে এই অঞ্চলৰ সামগ্ৰিক অৰ্থ ব্যৱস্থাৰ ৰূপ সলনি কৰাৰ থল দেখা যায়। কিছু সংখ্যক কৃষকে এই কাৰ্যত বিশেষীকৃত হ'লে ইয়াৰ সৈতে সংপৃক্ত হৈ থকা আনুষংগিক কাৰ্যকলাপ যেনে - নাৰ্চাৰী, উদ্যান শস্য সেৱা খণ্ড, বজাৰীকৰণ, পক্ৰিয়াকৰণ, মূল্য সংযোগ আদিৰো সম্প্ৰসাৰণৰ পথ সুগম হ'ব। ইয়াৰ বাবে আমাৰ জ্ঞাত উদ্যান শস্য যিবোৰ স্থানীয় সাংস্কৃতিক পৰম্পৰা আৰু ঘৰুৱা প্ৰয়োজন পূৰণৰ বাবে আমি উৎপাদন কৰোঁ সেইবোৰকে আমি বিশেষীকৃত ৰূপত কৃষি কাৰ্যত আনিব পাৰোঁ। তদুপৰি বনাঞ্চলত লুপ্তপ্ৰায় অনেক ঔষধি উদ্ভিদৰো বিচাৰ-খোচাৰ কৰি সেইবোৰোক ৰক্ষা কৰাৰ উপৰিও ব্যৱসায়িক লাভালাভৰ বাবে উদ্যান শস্যত অন্তৰ্ভূক্ত কৰিব পাৰি। স্বেচ্ছাসেবী সংগঠন ৰূপত ত্ৰিফলা প্ৰস্তুতৰ বাবে লাগতিয়াল বহেৰা, শিলিখা, আমলখী আদিৰ ব্যৱসায়িক বাগান কৰাৰ সময় সমাগত। তদনুৰূপ ক্ষুদ্ৰ আৰু মজলীয়া ধৰণৰ অনেক ঔষধি উৎস আমাৰ অঞ্চলৰ পৰা লুপ্তপ্ৰায় হ'ব ধৰা উদ্ভিদসমূহ ঘৰুৱা কৰণৰ প্ৰয়োজন আহি পৰিছে। নতুনকৈ ঘৰচীয়া কৰিব পৰাৰ সূচল থকা শস্যৰ ব্যতিৰেকেও পৰম্পৰাগত ভাবে উদ্যান শস্যত অন্তৰ্ভূক্ত হৈ থকা উদ্যান শস্যসমূহক তলত দিয়া ধৰণে শ্ৰেণীকৰণ কৰিব পাৰি।

১। ফল ঃ- আম, কঠাল, মাটি কঁঠাল, মধুৰীআম, অমিতা, কল, তামোল

আদিৰ উপৰিও সহজে প্ৰাকৃতিক ভাবে হোৱা বগৰী, পনীয়ল ইত্যাদি।

২। টেঙাজাতীয় ফল- সুমথিৰা, ৰবাব, নেমু, হলপলি, কৰদৈ, লিচু, আমলখী, জলফাই আদিৰ উপৰিও বনৰীয়া হৈ থকা লেটেকু ইত্যাদি।

৩। ডাঠ বাকলিৰ ফল ঃ- নাৰিকল, বাদাম, কাজুবাদাম ইত্যাদি।

৪। উদ্ভিদ শস্য - বাঁহ, ইকৰা, ঝাৰু, কুঁহিয়াৰ ৰেচমৰ বিভিন্ন উদ্ভিদ, কাঠৰ বাবে উদ্ভিদ, ঔষধি উদ্ভিদ, ৰবৰ আলঙ্কাৰিক উদ্ভিদ, লতাজাতীয় পান, জালুক, মছলা জাতীয় উদ্ভিদ, বিভিন্ন প্ৰকাৰৰ ফুল, বিভিন্ন প্ৰকাৰৰ শাক-পাচলি ইত্যাদি।

এইবোৰৰ উপৰিও আমাৰ অঞ্চলত ক্ষুদ্ৰ বনজ ভিত্তিক অনেক শস্য আজিকোপতি বনৰীয়া হৈ থকা দেখা যায়। বনৰীয়া অৱস্থাত থকা অনেক ফল, আলঙ্কাৰিক উদ্ভিদ, ঔষধি উদ্ভিদৰ খেতি ব্যৱসায়িক ভিত্তিত কৰিব পৰাৰ সম্ভাৱনীয়তা আছে। এই অঞ্চলত অধিক লাভজনক উদ্যান শস্যৰ ভিতৰত বাঁহ, কল, অমিতা, ঔষধি উদ্ভিদ, আদা, হালধি, মাটি কঁঠাল, নানা প্ৰকাৰৰ গছপুলি উৎপন্ন আদি ইতিমধ্যে প্ৰমানিত হৈ গৈছে। তুলনামূলক বাবে এইবোৰ শস্য উৎপাদনৰ বাবে আমাৰ অঞ্চল অতি অনুকূল। মন কৰিবলগীয়া যে বাঁহ খেতিৰ বাহিৰে বাকীবোৰ শস্যৰ বাবে অতি ক্ষুদ্ৰ ভূমিখণ্ডও উপযোগী। ৰবৰ খেতি যদিও লাভজনক দেখা যায় পৰিৱেশৰ প্ৰতি ইয়াৰ অৰিহণা বিতৰ্কিত বুলি জনা গৈছে। উদ্যান শস্যত মনোনিবেশ কৰাৰ সময়ত উদ্যান শস্য বিভাগৰ সৈতে মত বিনিময় কৰা সকলোৰে বাবে মঙ্গলজনক।

**পুঞ্জিকৃত উদ্যান শস্য উৎপাদন আৰু বিপণনৰ সুবিধা ঃ**

একোখন গাঁৱৰ সৰ্বাধিক পৰিয়ালে নিৰ্বাচিত এক প্ৰকাৰ উদ্যান শস্য উৎপাদন কাৰ্য পুঞ্জিকৃত কৰিলে বজাৰ ব্যৱস্থাৰ লাভালাভ আহৰণ কৰিব পাৰে। কৃষি জমি সংকুচিত হৈ অহাৰ সময়ত এনে পুঞ্জিকৃত উদ্যান শস্য উৎপাদন ব্যৱস্থা সময়ৰ আহ্বান হৈ পৰিছে। উদ্যান শস্যৰ সকলো প্ৰকাৰ শস্য উৎপাদনত হাত নিদি সম্ভাব্য সুবিধাজনক শস্য বাচনি কৰি অধিক সংখ্যক গঞাই সেই বিধ শস্য উৎপাদন কৰিলে ৰাহি শস্যৰ বিপণন সহজ হৈ পৰে। এটা উদাহৰণেৰে ধাৰণা খিনি অৱতাৰণা কৰিব পাৰি। ধৰা হওক এখন গাঁৱত ১০০ টা পৰিয়ালে

পুঞ্জিকৃত উদ্যান শস্যৰ অধীনত আধাবিঘাকৈ মাটিত অমিতা খেতি কৰিবলৈ ল'লে। শস্যৰোপণৰ ৮/৯ মাহ পিছত অমিতা চপোৱাৰ প্ৰথম পৰ্যায়ত গাঁৱখনত অতি কমেও ৮০০/১০০০ কেজি অমিতা উপলব্ধ হ'ব। স্থানীয় গ্ৰাম্য বজাৰত ইমান বৃহৎ পৰিমান অমিতা বিক্ৰী যোৱাৰ কোনো সম্ভাৱনা নাই। চহৰৰ বৃহৎ বজাৰত যোগান ধৰিব পৰাকৈ পাইকাৰী ব্যৱসায়ীৰ বাবে এনে বৃহৎ পৰিমান অমিতা একে ঠাইৰ পৰা একে সময়তে সংগ্ৰহৰ সুবিধাই কৃষকক সকাহ দিয়াৰ লগতে ইয়াৰ বিপণন অতি সহজ কৰি তুলিব। ইয়াৰ বিপৰীতে এটা বা দুটা পৰিয়ালে অমিতা উৎপাদন কৰিলে ওপৰোক্ত বিপণনৰ সুবিধা লাভ কৰিব নোৱাৰিব। ভাৰতৰ বিভিন্ন বৃহৎ চহৰত ক্ষনস্থায়ী উদ্যান শস্যৰ সৰবৰাহ সূচল কৰাৰ বাবে " Spoke and Hub" বিপণন পদ্ধতি ইতিমধ্যে প্ৰবৰ্ত্তিত হৈছে। এই পদ্ধতিত কৃষকৰ উৎপাদিত শস্য চহৰাঞ্চলৰ গ্ৰাহকে সোনকালে পাব পৰাকৈ বিভিন্ন অঞ্চলৰ উৎপাদন ক্ষেত্ৰৰ সৈতে বিপণন কেন্দ্ৰৰ সংযোগ স্থাপন কৰা হয়। উৎপাদন কাৰ্য পুঞ্জিকৃত নহ'লে পৰিবহন খৰছ বিপণনৰ প্ৰধান বাধা বিচাপে থিয় দিয়ে। চাইকেল এখনৰ ৰিঙৰ কেন্দ্ৰৰ চাৰিওফালৰ পৰা স্পোক্ বোৰ আহি সংযোগ হোৱাৰ লেখীয়াকৈ বিভিন্ন উৎপাদন ক্ষেত্ৰৰ সৈতে কেন্দ্ৰীয় Hub (বিপনন কেন্দ্ৰ) সংলগ্ন হৈ তালৈ শস্য সমূহ অন্তঃ প্ৰবাহ হয়। পুনৰ উক্ত কেন্দ্ৰৰ পৰা চহৰাঞ্চলৰ বিভিন্ন খুচুৰা বিক্ৰী কেন্দ্ৰলৈ সেই শস্যবোৰ গ্ৰাহকে পোৱাকৈ বহি প্ৰবাহ হয়। এই ব্যৱস্থাত অন্তঃ প্ৰবাহ আৰু বহি প্ৰবাহৰ বাবে উন্নত মানৰ পৰিবহনৰ (শীতলী পৰিবহন) ব্যৱস্থা থাকে। এক নিৰ্দিষ্ট অঞ্চলত একে প্ৰকাৰৰ শস্য অধিক উৎপন্ন কৰিলে এনে "Spoke and Hub" ব্যৱস্থা উদ্ভাৱনৰ বাবে চাপ সৃষ্টি হয়। ইয়াৰ বিপৰীতে বিশেষীকৃত পুঞ্জিকৃত উদ্যান শস্য উৎপাদন ব্যৱস্থা হাতত ল'ব নোৱাৰিলে বৰ্তমান সময়ত বিপণনৰ সুচলতা সৃষ্টি কৰিব নোৱাৰি। উদ্যান শস্যৰ পুঞ্জিকৃত ব্যৱস্থাৰে সম্ভাৱনাময় আমাৰ অঞ্চলত এক বাতাবৰণ সৃষ্টি কৰিব পাৰিলে সামগ্ৰিক ভাবে গ্ৰামাঞ্চলৰ আৰ্থিক অৱস্থাৰ উন্নতি হ'ব বুলি বিশ্বাস কৰিব পাৰি। মনকৰিবলগীয়া যে পুঞ্জিকৃত উদ্যান শস্য উৎপাদনৰ বাবে চৰকাৰী পক্ষৰ পৰা উদগনিমুলক সুবিধা আগবঢ়োৱাৰ ব্যৱস্থা আছে। অসম চৰকাৰে প্ৰবৰ্ত্তন কৰি থকা "ৰাষ্ট্ৰীয় উদ্যান

শস্য মিছন" ৰ অধীনত থকা চৰকাৰী সুবিধা সমূহ গ্ৰহণ কৰি আমাৰ কৃষক সকলেও মহৎ "সোণালী বিপ্লৱ"ৰ অংশীদাৰী হৈ নিজৰ পৰিয়ালৰ উপাৰ্জন বৃদ্ধিৰ লগতে সেউজী পৰিৱেশ সংৰক্ষণতো অৰিহণা যোগাব পাৰে।

মন্তব্য ঃ ওপৰৰ আলোচনাই তলৰ কথা কেইটা স্পষ্টৰূপত দাঙি ধৰে

১। উদ্যান শস্যৰ সৰহভাগে আমাৰ কৃষি সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে সংপৃক্ত হৈ আছে ।

২। উদ্যান শস্যৰ প্ৰায়বোৰ শস্যই কম ব্যয় সাপেক্ষ, বেচি মূল্য সম্পন্ন ফচল প্ৰদানকাৰী আৰু অধিক উৎপাদনক্ষম। সেইবাবে কৃষকৰ আৰ্থিক উত্তৰণৰ বাবে এক অন্যতম বিকল্প কৃষি কাৰ্য বুলি ইয়াক গণ্য কৰা হৈছে।

৩। বজাৰ ব্যৱস্থাৰ সম্প্ৰসাৰণে কম পৰিমান মাটি ব্যৱহাৰ কৰি অধিক নগদ ধন অৰ্জনৰ বাবে উদ্যান শস্যৰ কৃষি কাৰ্য সুবিধাজনক কৰি তুলিছে।

৪। উদ্যান শস্য বিস্তাৰৰ বাবে বিভিন্ন আঁচনিৰ অধীনত কৃষকক সা-সুবিধা দিয়াৰ ব্যৱস্থা আছে।

৫। উদ্যান শস্য খণ্ডৰ সৰহ সংখ্যক শস্য পৰিৱেশ অনুকূল। পৰিৱেশ সংৰক্ষণৰ লগতে মাটিৰ মৌলিক গুণ ৰক্ষণাবেক্ষণত উদ্যান শস্যই ভূমিকা গ্ৰহণ কৰে।

ওপৰৰ কথাবোৰৰ পৰা বুজা যায় যে উদ্যান শস্য আমাৰ অঞ্চলৰ বাবে এক উপযোগী বিকল্প কৃষি কাৰ্য হিচাপে গণ্য কৰিব পাৰি।

•••

# সাহিত্যৰ নবেল বঁটা বিজয়ী মো ইয়ান

সাহিত্য জাতিৰ দাপোণ বুলি সততে আখ্যায়িত কৰা হয়। মানুহৰ স্বাভাৱিক আবেগ অনুভূতি, সুখ-দুখ, হাঁহি, কান্দোন, হৰ্ষ-বিষাদ, আশা-আকাংক্ষা, সামুহিক -সমাজ পৰিবৰ্তনৰ ধাৰা আদি ভাষাৰ মাধ্যমত কলাসুলভ প্ৰতিফলনে উৎকৃষ্ট সাহিত্যৰ সৃষ্টি কৰে। ভৱিষ্যদৰ্শী অভিনৱ দৃষ্টিভংগীৰে বৰ্ত্তমানতকৈ এখোজ আগুৱাই গৈ নৱ নৱ চিন্তাধাৰাৰে সৃষ্ট সাহিত্য ৰাজিয়ে সমাজৰ উত্তৰণত ইতিবাচক প্ৰভাৱ পেলায়। এনে সাহিত্যৰাজিয়ে পাঠকৰ দ্বাৰা গৃহীত হৈ সাহিত্যৰ কবিতা, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনামূলক লেখা আদিৰ যোগে সাহিত্যিকে অকল নিজ দেশতেই নহয় সমগ্ৰ বিশ্ব বৰেণ্য সাহিত্যৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা অলেখ উদাহৰণ পোৱা যায়। উন্নত সাহিত্য সৃষ্টিয়ে যিকোনো ভৌগলিক পৰিসীমা অতিক্ৰম কৰি সমগ্ৰ বিশ্বৰ মানুহৰ মন চুই যাব পাৰে। এনে সাহিত্যৰ বাবে সবাতোকৈ শ্ৰেষ্ঠ সাহিত্যৰ বাবে সন্মান কঢ়িয়াই আনিব পৰা চীনদেশৰ সাহিত্যিক গুৱান মোয়ে (ছদ্ম নাম মো ইয়ান) এক বিৰল আৰু ব্যতিক্ৰমী সাহিত্যিক। ২০১২ বৰ্ষৰ সাহিত্যৰ বাবে বাওঁপন্থী আদৰ্শৰ দেশ এখনৰ সাহিত্যিকে অৰ্জন কৰা নবেল পুৰস্কাৰৰ বিষয়ে বিভিন্ন পৰ্য্যায়ত আলোচনা বিলোচনাই তোলপাৰ লগাই আহিছে। এই সাহিত্যিক গৰাকীৰ জীৱন আৰু সাহিত্য কৰ্মৰাজিৰ এক চমু খতিয়ান দাঙি ধৰা হ'ল।

চীনা সাহিত্যিক মো ইয়ান (Mo yan) ১৯৫৫ চনত চীনৰ স্বানদোং প্ৰদেশৰ দালান নামৰ ক্ষুদ্ৰ চহৰৰ নিকটবৰ্ত্তী অঞ্চলৰ এক খেতিয়ক পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। এক ব্যতিক্ৰমী সাহিত্য কৰ্মেৰে "দি নৰ্থ-ইষ্ট টাউন শ্বিপ অৱ গোৱামী কাণ্ট্ৰি" নামৰ ৰূপক ধৰ্মী উপন্যাসৰ মাজেৰে তেওঁৰ জন্ম ঠাইখনৰ

বিচিত্ৰ ঘটনাৰাজি দাঙি ধৰে। চীন দেশৰ সমসাময়িক প্ৰেক্ষাপট মো ইয়ানৰ সাহিত্য সৃষ্টিৰ মৌলিক সমল বুলি বিবেচিত হৈছে। চীন দেশৰ সাংস্কৃতিক বিদ্ৰোহৰ কু-প্ৰভাৱত ইয়ান ১১ বছৰ বয়সতে বিদ্যালয় এৰি কৃষি কৰ্মত ব্যস্ত হ'বলগীয়া হৈছিল। সমাজত বিদ্ৰোহাত্মক নানা ঘটনা ক্ৰমত ইয়ান ১৮ বছৰ বয়সত এখন কপাহী উদ্যোগত শ্ৰমিক হিচাপে কৰ্মত নিয়োজিত হয়। সমসাময়িক ঘটনা ৰাজিৰ প্ৰভাৱত আনুষ্ঠানিক শিক্ষা আধৰুৱা হৈ থাকিলেও তেওঁৰ সৃষ্টিশীল সাহিত্যৰাজি সৃষ্টিৰ পাতনি হ'বলৈ ধৰে। দেশত হোৱা সামাজিক অস্থিৰতা, ব্যক্তিগত জীৱন আৰু সামূহিক জীৱন ধাৰণৰ সংকটপূৰ্ণ অৱস্থাৰ মাজেৰে তেওঁৰ সৃষ্টিৰাজিৰ পাতনি হয়।

মাওজে ডঙৰ নেতৃত্বত ৰাজনৈতিক ৰণস্থলৰ পৰা সাংস্কৃতিক বিদ্ৰোহলৈকে হোৱা উত্তৰণৰ পৰিক্ৰমাত ইয়ানৰ সাহিত্য সৃষ্টিতো এইবোৰৰ প্ৰভাৱ পৰিব ধৰে। এনে ঘটনাক্ৰমত ইয়ানৰ সাহিত্যৰাজিৰে বিশেষকৈ সমাজবাদী আৰু বস্তুনিষ্ঠ ভাৱধাৰাৰ অৱপ্ৰকাশ ঘটাব ধৰে। বাওপন্থী আদৰ্শ প্ৰতিফলিত কৰা তেওঁৰ লিখাসমূহ শ্ৰেণী সংগ্ৰাম আৰু দ্বন্দমূলক বস্তুবাদ কেন্দ্ৰিক ৰূপে বিবেচিত হ'ব ধৰে। ১৯৭৭ চনৰ পৰা চীনৰ সাংস্কৃতিক বিদ্ৰোহ সামৰণিৰ দিশে আগবাঢ়ে। সেই সময়ত ইয়ানে “পিপুলচ্ লিবাৰেচন আৰ্মি” (PLA) নামৰ সংগঠনত যোগদান কৰে আৰু এজন বিদ্ৰোহী চিপাহী বেশেৰেও নিবিড়ভাবে সাহিত্য সৃষ্টিত ব্যস্ত হৈ থাকে। তেওঁৰ লেখাৰ প্ৰকাশভংগী, সাৱলীল প্ৰকাশ আৰু সেইবোৰৰ তীক্ষ্ণতাৰ বাবে “PLA আলোচনী” বঁটাৰে বিভূষিত কৰা হয়। এনে স্বীকৃতিয়ে সাহিত্য কৰ্মত তেওঁৰ উদ্দীপনা দুগুনে বৃদ্ধি কৰে। বঁটা গ্ৰহণ কৰা বৰ্ষতে তেওঁ “মিলিটাৰী আৰ্ট একাডেমি”ৰ সদস্য ভূক্ত হয় আৰু তেওঁ মো ইয়ান (Mo yan) ছদ্মনাম গ্ৰহণ কৰে।

মো ইয়ানৰ সাহিত্যৰাজিৰ ভিতৰত “এ ট্ৰেন্সপাৰেণ্ট ৰেডিশ্ব” (স্বচ্ছ মূলা) ১৯৮৪ চনত আৰু “ৰেড ছৰ ঘাম” (ৰঙা জোৱাৰ) ১৯৮৬ চনত উপন্যাস ৰূপত প্ৰকাশ পায়। চীন দেশত এই উপন্যাস দুখন অতি জনপ্ৰিয় হৈ পৰে আৰু ইয়ান এজন ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ঔপন্যাসিক হিচাপে জনাজাত হৈ পৰে। মন কৰিবলগীয়া যে ১১ বছৰ বয়সত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত

হ'বলগীয়া হোৱা ইয়ানে বেইজিং নৰ্মাল বিশ্ববিদ্যালয়ৰ পৰা ভাষাতত্বত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। এনে প্ৰাপ্তি হয়তো সমাজত বিৰল। ইয়ানৰ দুৰ্ব্বাৰ শিক্ষানুৰাগী স্পৃহা আৰু সাহিত্য সৃষ্টিৰ মাজেৰে মানৱ সৃষ্ট অপায়-অসূয়া আঁতৰাই সুস্থিৰ আৰু শান্তিপূৰ্ণ সমাজ গঢ়াত অৰিহণা যোগোৱাৰ তাৰনাই সাহিত্য সৃষ্টিত একানপতীয়া সাধনাৰ বাবে তেওঁক বাধ্য কৰে। গাঁৱৰ সাধাৰণ কৃষক অৱস্থাৰ পৰা ক্ৰমে বিদ্ৰোহী চিপাহী আৰু পৰবৰ্ত্তী সময়ত বৰেণ্য সাহিত্য সৃষ্টিৰ মাজেৰে বিশ্ব পৰ্য্যায়লৈ তেওঁৰ উত্তৰণ এক বিৰল ঘটনা আৰু যি কোনো ব্যক্তিৰ বাবেই অনুকৰণীয়।

অতি বাস্তৱবাদী লিখক "মো ইয়ান" ছদ্মনাম গ্ৰহণ কৰাৰো এক তাৎপৰ্য্যপূৰ্ণ কাহিনী জড়িত হৈ আছে। মো আৰু ইয়ান শব্দ দুটি চীনা ভাষাৰ আৰু ইয়াৰ অৰ্থ "কথা নক'বা"। কথা নক'বা শব্দ দুটি শিশু কালত উপলব্ধি কৰিব পৰা ৰূঢ় বাস্তৱৰ সৈতে সংপৃক্ত হৈ আছে। জিন লিচ্ নামৰ সাংবাদিকৰ আগত ব্যক্ত কৰা মতে তেওঁ শব্দ দুটি পিতৃ-মাতৃৰ পৰা আহৰণ কৰিছিল। সমসাময়িক ঘটনা ৰাজিয়ে সৃষ্টি কৰা বাতাবৰণত কোন কেতিয়া কাৰ ৰোষত পৰি মৃত্যুক আঁকোৱালি ল'ব লগীয়া হয় তাৰ কোনো লেখ জোখ চীনত নাছিল। তেনে প্ৰেক্ষাপটত শিশু ইয়ানে পৰিয়ালৰ বাহিৰৰ লোকক কি ভাৱত কি ব্যক্ত কৰে তাৰ সতৰ্কতা হেতু পিতৃ-মাতৃয়ে সততে ধম্‌কিৰে কোনো মনৰ ভাৱ বাহিৰত ব্যক্ত নকৰিবলৈ সকিয়নী দিছিল। ইয়ানৰ শিশু মনত এই সাৱধান বাণীৰ শব্দ দুটি বাৰুকৈয়ে খোদিত হৈছিল আৰু এই শব্দ দুটিকে নাম হিচাপে গ্ৰহণ কৰি এই গৰাকী সাহিত্যিকৰ মনৰ ভাৱ সাহিত্যৰ মাজেৰে দাঙি ধৰাৰ সংকল্প লৈছিল। এই ছদ্মনামত নিহিত হৈ থকা অৰ্থই তেওঁৰ লেখাৰো প্ৰধান বিষয়বস্তু হৈ পৰিছিল। কিয়নো ক'বলগীয়া অনিবাৰ্য অথচ নক'বলৈ থকা সাবধান বাণীকে ইয়ানে কৌশলগত ভাবে প্ৰত্যাখ্যান কৰি সকলোবোৰ গল্প, প্ৰবন্ধ, উপন্যাস আদি ৰূপত লিখনিৰে দাঙি ধৰি অকপটে চীনৰ ৰাজনৈতিক, সামাজিক, প্ৰশাসনিক আৰু মানবীয় দৃষ্টিভংগীৰ প্ৰকাশ ঘটাইছিল।

চীন দেশৰ উত্তৰণত প্ৰভাৱ পেলাব পৰাকৈ দেশখনৰ সামগ্ৰিক পৰিবৰ্ত্তনৰ প্ৰাক্ ক্ষণত ইয়ানে অবিৰত ভাবে সাহিত্য চৰ্চ্চাকে বৃত্তিমূলক উপায়

হিচাপে গ্ৰহণ কৰিছিল। উপন্যাস ৰচনা কৰাৰ সমান্তৰালকৈ সেই সময়ত ইয়ানে অগণন চুটি গল্প লিখি উলিয়াইছিল। তেওঁৰ লেখাসমূহ নট্ৰে ডামে বিশ্ববিদ্যালয়ৰ এছিয়ান লেংগুৱেজ এণ্ড লিটাৰেচাৰৰ অধ্যাপক হাৱাৰ্ড গলব্লাটে ইংৰাজীলৈ ধাৰাবাহিকভাবে অনুবাদ কৰিছিল। তদুপৰি এই লেখাসমূহ পূৰ্ব্ব এছিয়াৰ প্ৰায়বোৰ দেশৰ বিভিন্ন ভাষালৈ অনুদিত হৈছিল। এনে কাৰ্যই নবেল পুৰস্কাৰৰ বাবে ইয়ানৰ লেখাসমূহ মনোনয়ন প্ৰক্ৰিয়াত সহায়ক কৰি তুলিছিল।

ইয়ানৰ লেখাসমূহৰ মাজেৰে ঐতিহাসিক বাস্তৱতা অতি তীক্ষ্ণ দৃষ্টিকোণেৰে দাঙি ধৰাৰ লগতে সিবোৰৰ অন্তৰালত থকা সুক্ষ্ম সুক্ষ্ম মানৱীয় মূল্যৰ অৱমাননা সূচক কথাবোৰৰ প্ৰতিবাদস্বৰূপ উপস্থাপন তেওঁৰ লেখাৰ অন্যতম বৈশিষ্ট্য। এক ব্যতিক্ৰম দৃষ্টিভংগীৰে সাধাৰণ কথাৰ মাজেৰে প্ৰচলিত যুদ্ধ বিগ্ৰহ, কমুনিষ্ট আন্দোলন, সাংস্কৃতিক বিদ্ৰোহ ইত্যাদিৰ অন্তৰালত কঠিন বাস্তৱৰ প্ৰতিচ্ছৱি কৌশলপূৰ্ণ আৰু সাৱলীল ভাবে দাঙি ধৰিবলৈ সক্ষম হোৱা বাবে ইয়ানৰ সৃষ্টিৰাজি যুগমীয়া হৈ থাকিব। জাপানী সৈন্যই চীন আক্ৰমণৰ ঘটনাক কেন্দ্ৰ কৰি ইয়ানৰ "গেৰলিক বেলাড" খনত গোৱামী অঞ্চলৰ খেতিয়ক বিদ্ৰোহৰ উত্থান আৰু চৰকাৰ বিৰোধী ৰায়টিঙৰ উপস্থাপনে শাসক-শোষকৰ সংঘাতৰ পৰিণতিৰ চিত্ৰ দাঙি ধৰে। "দি ৰিপাব্লিক ওৱাইন" ৰূপক ধৰ্মী উপন্যাসখনত ৰাগিয়াল দ্ৰব্যৰ কু-প্ৰভাৱৰ উপস্থাপনে তেওঁক নিন্দা সূচক (Satiric) লিখক হিচাপেও প্ৰতিষ্ঠিত কৰে। শাসন-শোষন কাৰ্যৰ সমান্তৰাল ভাবে কিদৰে মানবীয় প্ৰমূল্য ধুলিস্যাত হয়, তাৰ চিত্ৰ দাঙি ধৰিবলৈ "বিগ ব্ৰেষ্টচ্ এণ্ড ওৱাইড হিপছ্" উপন্যাসত নাৰীৰ শৰীৰ বিশ্লেষণৰ সমান্তৰালকৈ মাতৃৰ মৰ্যাদা মানৱ সৃষ্ট অপায়ৰ দ্বাৰা কিদৰে ভূলুণ্ঠিত হয়, তাক ৰূপক সদৃশ ব্যাখ্যাৰে দাঙি ধৰিছে। এনেবোৰ ব্যতিক্ৰম ধৰ্মী সাহিত্য সৃষ্টিৰ বাবে পোন প্ৰথম বাৰৰ বাবে বাওঁপন্থী ভাৱধাৰাৰে পৰিপুষ্ট সাহিত্য কৰ্মৰ বাবে "গুৱান মোয়ে" ওৰফে মো ইয়ানক ২০১২ বৰ্ষৰ বিশ্ব সাহিত্যৰ শীৰ্ষতম সন্মান সাহিত্যৰ নবেল বঁটা প্ৰদান কৰা হৈছে।

●●●

# ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়

ব্যক্তি আৰু সমাজ উন্নয়নৰ মূল উপাদান হ'ল শিক্ষা। সমাজ, জাতি তথা দেশ নিৰ্মাণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ খণ্ড বুলি সেইবাবে শিক্ষাখণ্ডক অভিহিত কৰা হয়। আধুনিক জ্ঞানকেন্দ্ৰিক সমাজবিদ্যাত শিক্ষাখণ্ডক মানৱ মূলধনৰ অন্যতম প্ৰধান উৎস বুলি গণ্য কৰা হয়। আনহাতে শিক্ষাখণ্ডৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাক সামগ্ৰিক শিক্ষাখণ্ডৰ ভেটি বুলি অভিহিত কৰা হয়। সেইবাবে জাতিৰ পিতা মহাত্মা গান্ধীৰ শিক্ষা দৰ্শনত এই পৰ্যায়ৰ শিক্ষাক বুনিয়াদী শিক্ষা বুলি আখ্যায়িত কৰা হৈছে। গান্ধীজীৰ শিক্ষা দৰ্শনৰ আঁত ধৰি ইয়াক সাংবিধানিক মৰ্যাদা প্ৰদানৰ বাবে সংবিধান নিৰ্মাতাসকলে নিদান আগবঢ়াইছে। শিক্ষা খণ্ডৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰাথমিক শিক্ষাৰ যথোপযুক্ত বিকাশ এক পূৰ্ব চৰ্ত বুলি বিবেচিত হৈছে। সেই হেতু আধুনিক শিক্ষা ব্যৱস্থাৰ কাম্য বিকাশৰ বাবে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন /বিশ্বজনীন আৰু বাধ্যতামূলক কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। ৰাষ্ট্ৰ সংঘৰ নিৰ্দেশত প্ৰতিখন দেশত আইন-প্ৰণয়ন কৰি ৬-১৪ বছৰৰ কোনো শিশু যাতে প্ৰাথমিক শিক্ষাৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা কৰি থকা হৈছে। ভাৰতীয় সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাতো প্ৰাথমিক পৰ্যায়ৰ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ বাবে শিক্ষা অধিকাৰ আইন, ২০০৯ প্ৰণয়ন কৰি ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে। এই প্ৰক্ৰিয়াত অসমৰো প্ৰাথমিক শিক্ষা অন্তৰ্ভুক্ত হৈ পৰিছে। প্ৰায় তিনি কোটি এঘাৰ লাখ জনসংখ্যাৰ ৰাজ্য অসমত সম্প্ৰতি এই পৰ্যায়ৰ নিম্ন প্ৰাথমিক বিদ্যালয় ৩৫০৬১ খন সাঙোৰ খাই আছে। তদুপৰি নতুনকৈ ৫০১৫ খন চৰকাৰীকৰণ প্ৰক্ৰিয়াত থকা "শিক্ষা নিশ্চিত আঁচনি" (Educa-

tion Guarunteed Scheme) ৰ অধীনত আৰু ৫৬০২ খন বেচৰকাৰী অৱস্থাত থকা নিম্ন প্ৰাথমিক বিদ্যালয়ে অসমৰ ১১ বছৰৰ তলৰ সকলো শিশুক বিদ্যালয়ত সামৰি লোৱাৰ প্ৰয়াস কৰি আছে যদিও কৃতকাৰ্যতাৰ ক্ষেত্ৰত আশাব্যঞ্জক নহয়। চৰকাৰী তথ্য মতে অদ্যাপি অৰ্থাৎ ২০১১-১২ শিক্ষাবৰ্ষলৈকে প্ৰায় ৩ শতাংশ শিশুক এই পৰ্যায়ৰ শিক্ষাত অন্তৰ্ভূক্ত কৰিব পৰা হোৱা নাই। তদুপৰি ২০০৯-১০ বৰ্ষৰ চৰকাৰী তথ্যমতে ৬-১১ বছৰ বয়সৰ আধাতে বিদ্যালয় এৰা শিশুৰ সংখ্যা প্ৰায় ৩৬ শতাংশ। প্ৰচলিত সৰ্বশিক্ষা অভিযান ফলৱতী হোৱালৈ আৰু বহু বাট আগুৱাবলৈ বাকী থকাৰ কথাকে এই তথ্যই প্ৰমাণ কৰে। সকলো শিশুক নিম্ন প্ৰাথমিক বিদ্যালয় স্তৰত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত কৃতকাৰ্য হ'ব নোৱাৰাৰ অগণন কাৰণৰ ভিতৰত অন্যতম হ'ল নিম্ন সাক্ষৰতাৰ হাৰ। উল্লেখযোগ্য যে পৰিকল্পনাৰ তিনিকুৰি এবছৰ পিছতো অসমত অদ্যাপি অৰ্থাৎ ২০১১ চনৰ পিয়লমতে ২৪.৮২ শতাংশ লোক নিৰক্ষৰ। অৱশ্যে প্ৰণিধানযোগ্য যে পৰ্যায়ক্ৰমে প্ৰতিটো পৰিকল্পনাৰ কালছোৱাত প্ৰাথমিক শিক্ষাৰ আওতাত শিশু অন্তৰ্ভূক্তিৰ বৰ্দ্ধিত পৰিসংখ্যাই এক আশাৰ বতৰা কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। তথ্য মতে ২০০২-০৩ বৰ্ষৰ তুলনাত ৬-১১ বছৰৰ শিশু প্ৰাথমিক বিদ্যালয়ৰ বাহিৰত থকা সংখ্যা ২৪.৩৮ শতাংশৰ পৰা হ্ৰাস পাই ২০১০-১১ বৰ্ষত মাত্ৰ ৩ শতাংশ হয় গৈ।

শিক্ষা ব্যৱস্থাৰ প্ৰসাৰ আৰু সমাজৰ ক্ৰমবিৱৰ্ত্তনৰ সৈতে বিশ্ব, ৰাষ্ট্ৰ তথা ৰাজ্যৰ সমাজ সংস্কৃতি জড়িত হৈ আছে। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ বৌদ্ধিক চিন্তাৰ ক্ৰমবিবৰ্ত্তন হ'ব ধৰে। ইয়াৰ সমান্তৰালকৈ শিক্ষা খণ্ডৰো নানা ধৰণৰ পৰিৱৰ্ত্তন পৰিলক্ষিত হৈছে।

প্ৰাথমিক শিক্ষা বিস্তাৰৰ প্ৰেক্ষাপটত ধূপধৰাস্থ ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়খনো সামাজিক উত্তৰণৰ সৈতে সংপৃক্ত হৈ আছে। ইয়াৰ লগত জড়িত প্ৰতিষ্ঠাপক ব্যক্তি, পৰিচালনাৰ সৈতে জড়িত ব্যক্তি, সমাজ, শিক্ষাৰ্থী - শিক্ষক আদিৰ অৰিহণা বিগত এশটা বছৰ ধৰি সমাজত প্ৰৱাহিত হৈ আছে। ঘাই শিপা স্বৰূপ প্ৰাথমিক পৰ্যায়ৰ শিক্ষা প্ৰদানত সুদীৰ্ঘ শতাব্দী জুৰি গৌৰৱ কঢ়িয়াই থকা এই বিদ্যালয়খনৰ বাবে অঞ্চলবাসী ৰাইজ গৌৰৱ অনুভৱ

কৰা তেনেই স্বাভাৱিক।

ঐতিহাসিক প্ৰয়োজনত উদ্ভুত পৰিস্থিতিক সমাজ বিৱৰ্ত্তনৰ সৈতে খাপ খুৱাই তোলাত শিক্ষাই প্ৰধান ভূমিকা পালন কৰে। সম-সাময়িক ঘটনা প্ৰবাহ, সংঘাত ইত্যাদিৰ পৰা অৰ্জন কৰা অভিজ্ঞতাৰ আধাৰত বিকশিত চিন্তা চেতনাই মানুহক ভবিষ্য-পন্থা নিৰ্ধাৰণৰ দিক নিৰ্দেশনা দিয়ে। তেনে পৰিস্থিতিয়ে ক্ৰমে বিভিন্ন পৰ্যায়ৰ শিক্ষাৰ বিস্তাৰ ঘটায়। বিশ্ব পৰিক্ৰমাত চালে দেখা যায় যে সামুদ্ৰিক প্ৰাধান্য বিস্তাৰেৰে ব্যৱসায়িক সুবিধা আহৰণ কৰি আৰ্থিক আৰু ৰাজনৈতিক শক্তি হস্তগত কৰণৰ উদেশ্যে বিশ্ব জুৰি টনা -আঁজোৰাৰ ফলত ১৯০৪-০৬ চনৰ পৰা ইউৰোপৰ দেশসমূহৰ মাজত অস্থিৰতাৰ সৃষ্টি হয়। তাৰ পৰিণতিত ১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হয়। ইউৰোপীয় দেশসমূহৰ মাজত ক্ষমতাক লৈ খিয়লা-খিয়লি চলি থকাৰ সময়তে ধূপধৰাতো এক সংগ্ৰাম জাগ্ৰত হৈছিল। এই সংগ্ৰাম ক্ষমতা বা কোনো লোভৰ উদেশ্য সম্বলিত ঠেক গণ্ডীৰ নাছিল। বৰঞ্চ ই আছিল এন্ধাৰ বিনাশী পোহৰ বিলোৱাৰ নীৰৱ যুঁজ- এখন বুনিয়াদী শিক্ষা কেন্দ্ৰ গঢ়াৰ আন্দোলন। প্ৰথম মহাসমৰৰ সেই বৰ্ষটো ধূপধৰাবাসীৰ বাবে গৌৰৱ আৰু অতিকৈ স্মৰণীয় বছৰ। সেই বৰ্ষটোত স্বৰ্গীয় খয়ৰুদ্দিন মহাজন আৰু দূৰদৃষ্টি সম্পন্ন কেইজনমান ব্যক্তিৰ নেতৃত্বত স্থাপন কৰা হৈছিল সদ্য শতবৰ্ষ উদ্‌যাপন কৰি থকা ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়।

এখন বুনিয়াদী বিদ্যালয় গঢ়ি তোলাৰ যুঁজ খনৰো যথেষ্ট ঐতিহাসিক প্ৰেক্ষাপট আছে। প্ৰথম মহাসমৰৰ জোকাৰণি তদানিন্তন বৃটিছৰাজৰ অধীন ভাৰতবৰ্ষতো অনুভূত হয়। বিশ্ব পৰিক্ৰমাত সংঘটিত ঘটনা প্ৰবাহ আৰু ইতিমধ্যে চলি থকা স্বদেশী আন্দোলনে ভাৰতীয় সকলৰ মাজত একতা, জাতীয়তাবোধ আৰু স্বাধীনতা পিপাসা বৃদ্ধি কৰিব ধৰে। প্ৰকৃত পক্ষে ভাৰতীয় সকলৰ মাজত জাগৰণৰ ধাৰাবাহিকতা আৰম্ভ হয় ঊনবিংশ শতিকাৰ ষাঠি দশকমান, বিশেষকৈ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছৰ পৰা। এই বিদ্ৰোহে ভাৰতীয়সকলৰ দেশাত্মবোধ, ঐক্য-সংহতি, জাতীয় চিন্তা-চেতনা আদি ত্বৰান্বিত কৰাত মাইলৰ খুঁটি সদৃশ বুলি বিবেচিত হৈছে। বৰ্দ্ধিত জাগৰণে বৃটিছ শাসকক বাৰুকৈয়ে

অস্বস্তিত পেলোৱাৰ বিপৰীতে ভাৰতীয়সকলৰ মাজত আধুনিক শিক্ষা-সংস্কৃতিৰ উত্তৰণ আৰশ্যম্ভাবী কৰি তোলে। সেই হেতু১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ দৰে সংস্থা গঢ়ি উঠে। ভৱিষ্যত ভাৰতৰ ভাগ্য নিয়ন্তাৰ দিক নির্ণায়কৰ ভূমিকা পালন কৰা সংস্থাৰ অংশীদাৰ হোৱা দূৰদর্শী লোকসকলে নিজস্ব চিন্তা চেতনাৰে ভাৰতীয়সকলৰ মাজত এক জাগৰণৰ সৃষ্টি কৰিব ধৰে। ১৮৫৭ চনৰ পৰা ১৯৪৭ চন অর্থাৎ ভাৰত স্বাধীন হোৱালৈ এই দীর্ঘ পৰিক্ৰমাত ভাৰতীয়সকলৰ বর্ধিত জাতীয় চেতনা আৰু দেশাত্মবোধৰ সমান্তৰালকৈ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰতো ধীৰগতিত পৰিৱৰ্ত্তন হ'ব ধৰে।

উল্লেখনীয় যে শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকা অতি পুৰণি কালৰ পৰাই বিদ্যমান। পুৰণি কালৰ ভাৰতীয় শিক্ষা ব্যৱস্থাত তক্ষশিলা, বিক্ৰমশিলা, সোমপুৰা, নালন্দা আদি বিশ্ববিদ্যালয়ে প্ৰভাৱ বিস্তাৰ কৰি আছিল। অৱশ্যে শিক্ষাৰ সৰহ অংশই গুৰু গৃহ অথবা সাধু সন্যাসীৰ আশ্ৰমত ব্যক্তিগত প্ৰচেষ্টাত প্ৰচলিত আছিল। পৌৰাণিক আৰু মধ্যযুগীয় এই শিক্ষা ব্যৱস্থা খৃষ্টপূর্ব ষষ্ঠ শতিকাৰ পৰা প্ৰায় দ্বাদশ শতিকালৈ প্ৰচলিত আছিল। ইয়াৰ বিপৰীতে ভাৰতত আধুনিক শিক্ষাৰ প্ৰচলন হ'ব ধৰে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগ্ৰাসনৰ পিছত। বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৃষ্ঠপোষকতাত ভাৰতবর্ষত প্ৰথম আধুনিক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আৰম্ভ হয়। ১৭৮০ চনত কলিকতাত মাদ্ৰাছা আৰু ১৭৯১ চনত বেনৰাসত সংস্কৃত কলেজ স্থাপন কৰি ন্যূনতম আর্থিক অনুদানেৰে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে পোন প্ৰথমে ভাৰতত আধুনিক আনুষ্ঠানিক শিক্ষাৰ প্ৰৱৰ্ত্তন কৰে যদিও এই ব্যৱস্থাই কেৱল উচ্চ শিক্ষাকহে সামৰি লৈছিল। বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা শাসন ভাৰ বৃটিছ চৰকাৰৰ হাতলৈ যোৱাৰ পিছতহে ভাৰতত প্ৰাথমিক শিক্ষাই গুৰুত্ব পাব ধৰে।

চিপাহী বিদ্ৰোহৰ পিছৰ পৰা ১৮৮২ চনলৈ চৰকাৰী পৃষ্ঠপোষকতাত বৃহত্তৰ অসমত মাত্ৰ ১৭৬০ খন প্ৰাথমিক বিদ্যালয় স্থাপন হৈছিল। ১৮৮২ চনৰ হাণ্টাৰ আয়োগৰ পৰামর্শৰ আধাৰতহে অসমত প্ৰাথমিক বিদ্যালয় স্থাপনৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হ'ব ধৰে। হাণ্টাৰ আয়োগৰ পৰামর্শৰ ফলশ্ৰুতিত বর্তমানৰ গোৱালপাৰা জিলাৰ আগিয়াত (১৮৮৯ চন), শালপাৰা শান্তিপুৰ (১৯১২ চন,

মজলীয়া বিদ্যালয়), খেকাপাৰা (১৯১৫ চন, মজলীয়া বিদ্যালয়), গোৱালপাৰাৰ ১নং আমোলাপট্টিত (১৯২২ চন), টিপ্‌লাইত (১৯২৭ চন, মজলীয়া বিদ্যালয়), কাচাদলত (১৯৩৯ চন) প্ৰাথমিক বিদ্যালয় গঢ়ি উঠে। এই ধাৰাবাহিকতাৰ ভিতৰত ১৯১৪ চনত ধূপধৰাতো ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়খনো গঢ়ি উঠে। জন্ম লগ্নৰে পৰা ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়খনে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কামৰূপ-গোৱালপাৰা সীমান্ত অঞ্চলৰ সমগ্ৰ এলেকাৰ প্ৰাথমিক পৰ্যায়ৰ শত-সহস্ৰ শিক্ষাৰ্থীৰ চকু মেল খুৱাই ১০০ বছৰ ধৰি ঠন ধৰি আছে। স্থাপন কালৰ প্ৰতিষ্ঠাপক সকলৰ কুচকাৱাজ, পৰৱৰ্ত্তী সময় ১৯৫২-৫৩ চনলৈ পৰিচালনাত জড়িত থকা ব্যক্তিসকলৰ বিষয়ে লিখিত নথি পত্ৰ নোপোৱাৰ হেতু অনেক কথা এন্ধাৰতে থাকি গ'ল। প্ৰতিষ্ঠা কালৰ পৰা ১৯৫২-৫৩ চনলৈ কেৱল শিক্ষকৰ মাজৰ কিছু সংখ্যকৰ বিষয়ে মুখে মুখে কিছু তথ্য জানিব পৰা গৈছে। মুখে মুখে প্ৰচলিত তথ্যসমূহ প্ৰাক্ স্বাধীনতা কালতে সীমিত থকালৈ চাই এই দিশত সংশ্লিষ্ট গৱেষকে তথ্য বিচৰাৰ থল আছে। জানিব পৰা মতে এইখন বিদ্যালয়ৰ শুভাৰম্ভ সময়ত সেই সময়ৰ লিখা-পঢ়া জনা জনৈক ব্যক্তি পিপলীবাৰী নিবাসী প্ৰয়াত যোগেন্দ্ৰ নাৰায়ণ গোস্বামীদেৱে শিক্ষাদান কৰিছিল। পৰৱৰ্ত্তী সময়ত হেড্ পণ্ডিত হিচাপে নিযুক্ত হয় গোৱালপাৰা জিলাৰ কাৰীপাৰা গাঁৱৰ প্ৰয়াত আছাৰুদ্দিন সেখ/আহমেদ। এইজন হেড্ পণ্ডিতক প্ৰয়াত খয়ৰুদ্দিন মহাজনে আহ্বান কৰি আনি থকাৰ সুবিধাৰ বাবে মাটি দান দি স্থায়ীভাৱে থকাৰ সুবিধা কৰি দিছিল। বৰ্তমানৰ ধূপধৰাৰ কলিতাপাৰা সংলগ্ন ৰাস্তাৰ দাঁতিত নিৰ্ম্মিয়মান ঈদগাহৰ পিছপিনে এই গৰাকী হেড্ পণ্ডিতক থকাৰ বাবে মাটি দান দিয়া হৈছিল। তাহানিৰ কলিতাপাৰা সোমোৱা পথছোৱা পণ্ডিত থকা সুবাদতে সৌ সিদিনালৈ পণ্ডিতৰ বাট বুলি জনা গৈছিল। উল্লেখযোগ্য যে এইগৰাকী পণ্ডিতে ধূপধৰা অঞ্চলৰ লগতে ইয়াৰ ওচৰ-পাঁজৰৰ গাঁওবোৰৰ বিভিন্ন খবৰ প্ৰকাশৰ বাবে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত খবৰ কাগজলৈ নিয়মিতভাৱে প্ৰতিবেদন প্ৰেৰণ কৰিছিল। খবৰৰ এই প্ৰতিবেদনসমূহ ১৯২০-২৩ চনৰ ভিতৰত খবৰ কাগজত প্ৰকাশ হৈছিল বুলি তথ্য পোৱা যায়। এই সুবাদতে ক'ব পাৰি যে তদানীন্তন গোৱালপাৰা

জিলাৰ দক্ষিণ পাৰৰ এইগৰাকী ব্যক্তিয়ে হ'ল প্ৰথম গৰাকী সাংবাদিক।

প্ৰাক্ স্বাধীনতা কালত এইখন বিদ্যালয়ত পঢ়া-শুনা কৰা শিক্ষাৰ্থীৰ অলেখ তথ্য পোৱা নাযায় যদিও ১৯৫০ চনৰ পূৰ্বে নামভৰ্ত্তি কৰি শিক্ষা সামৰা মুষ্টিমেয় কেইজনমান ব্যক্তিৰ বিষয়ে তথ্য পোৱা যায়। ১৯৫০ চনৰ পূৰ্বে এই বিদ্যালয়ত অধ্যয়ন কৰা আৰু আজিলৈ জীয়াই থকা কেইজনমান প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত জীৱিত থকাসকল হ'ল সদ্য প্ৰায়ত জমিৰুদ্দিন আহমেদ (ধুপধৰা), শ্ৰীযুত অখিল সৰকাৰ (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, ধূপধৰা হাইস্কুল), শ্ৰীযুত দীনেশ চন্দ্ৰ পাটগিৰী (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়), শ্ৰীযুত মহেন্দ্ৰ ৰাভা (প্ৰাক্তন অধ্যক্ষ, ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়), শ্ৰীযুত লোহিত ৰাভা (লাইচৰ ৰাভা), শ্ৰীমতী কিৰণ মেধি (মালিবাৰী), শ্ৰীমতী সুমিত্ৰা হাজৰিকা (ধুপধৰা), শ্ৰীমতী তৰুণ বালা কলিতা (ধুপধৰা) আৰু শ্ৰীমতী জয়ন্তী বালা কলিতা (ধুপধৰা)। শতবৰ্ষ উদ্‌যাপনৰ মাহেন্দ্ৰক্ষণত এইসকল প্ৰাক্তন ছাত্ৰৰ দীৰ্ঘায়ু কামনা কৰা হ'ল।

যোৱা এশ বছৰত ধুপধৰাৰ গাতে লাগি থকা পেটাভোকলাৰে অনেক পানী বৈ লুইতৰ বুকুৰ অংশীদাৰ হোৱাৰ লেখীয়াকৈ ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়ো চামে চামে শিক্ষাৰ্থী সৃষ্টি কৰি ক্ৰমে ডাক্তৰ, অভিযন্তা, প্ৰশাসনিক বিষয়া, শিক্ষক আৰু সুনাগৰিক সৃষ্টিত অৰিহণা যোগাই অসমীয়া আৰু ভাৰতীয় জাতিৰ বাবে মানৱ সম্পদ গঢ়াৰ সেৱাৰে মহীয়ান হৈ পৰিছে। জন্ম লগ্নৰে পৰা বিদ্যালয়খনে গুণগত শিক্ষা প্ৰদানত নামজ্বলা বুলি সৰ্বত্ৰে চৰ্চ্চা হোৱা শুনা যায়। তথ্য পোৱা দিনৰ পৰা দেখা যায় যে প্ৰতি শিক্ষা বৰ্ষতে এইখন বিদ্যালয়ৰ পৰা একাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক ছাত্ৰ বৃত্তি পাবলৈ সক্ষম হৈছে। প্ৰতিবছৰে ছাত্ৰ বৃত্তি পোৱালৈ চাই বিদ্যালয়খনৰ গুণগত মানদণ্ড উচ্চ পৰ্যায়ৰ বুলি পতিয়ন যাব পাৰি। উল্লেখযোগ্য যে ২০১২ -১৩ শিক্ষাবৰ্ষত গোৱালপাৰা জিলাৰ ভিতৰতে সৰ্বোচ্চ সংখ্যক ১০ গৰাকী ছাত্ৰ-ছাত্ৰী ছাত্ৰবৃত্তি পাবলৈ সক্ষম হৈছে।

ইং ২০১৩ চনত এটা শতিকা পূৰ্ণ কৰা এই বিদ্যালয়খনৰ যথাসম্ভৱ থুলমূল খতিয়ান লিপিবদ্ধ ৰূপত প্ৰকাশ কৰাৰ বাবে ৰাইজৰ হাবিয়াস ইতিমধ্যে

প্ৰতিফলিত হৈছে। সেইবাবে ২০১৩ বৰ্ষৰ মাৰ্চ/এপ্ৰিল মাহৰ পৰা বৰ্ষজোৰা আড়ম্বৰপূৰ্ণ কাৰ্যসূচীৰে শতবৰ্ষ উদ্‌যাপন কৰি থকা হৈছে। বিভিন্ন কাৰ্যসূচীৰ মাজত সামৰণি অনুষ্ঠানত ছপাৰূপত প্ৰকাশ কৰিবলৈ এখনি স্মৃতিগ্ৰন্থৰো আয়োজন কৰা হৈছে। উদ্‌যাপন সমিতিৰ হৈ "শতাব্দী দৰ্পণ" নামকৰণেৰে প্ৰকাশ কৰিবলগীয়া স্মৃতিগ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্ব আমাক অৰ্পণ কৰাৰ বাবে দ্বিধাগ্ৰস্ত হোৱাৰ বিপৰীতে আমি কৃতজ্ঞও হৈ পৰিছোঁ। স্মৃতিগ্ৰন্থ এখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সচৰাচৰ খুব খৰখেদা হয়। সেইবাবে সামৰি ল'বলগীয়া অনেক কথা বাদ পৰি যোৱা তেনেই স্বাভাৱিক। সম্ভাব্য অধিক দিশ সামৰি স্মৃতিগ্ৰন্থ এখনি সৰ্বাংগ সুন্দৰ কৰাৰ বাবে লাগতিয়াল সমল সংগ্ৰহ আৰু সেইবোৰ পৰিপাটিকৈ সজাই তোলা কাৰ্য বাৰুকৈ কঠিন কাম। তৎসত্বেও উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সমন্বিতে সদস্য-সদস্যাসকলৰ উদ্দীপনা, স্মৃতিগ্ৰন্থ উপসমিতিৰ সভাপতি, উপ-সভাপতি, সদস্য-সদস্যাসকলৰ ইতিবাচক অৰিহণাই "শতাব্দী দৰ্পণ"খন প্ৰকাশ কৰাৰ বাট উজু কৰিলে। এইসকল ব্যক্তিৰ শলাগ নলৈ নোৱাৰিলোঁ। লেখাসমূহ সংগ্ৰহ কৰোঁতে বিভিন্ন কাৰণত বিলম্ব হোৱা, বিদ্যুতৰ লুকাভাকু হেতু ছপা কাৰ্যত যথেষ্ট বিজুতি ঘটে যদিও হ'ৱাইট লিফ্ পাব্লিকেশ্বনৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দই অশেষ কষ্ট কৰি সময়মতে "শতাব্দী দৰ্পণ"খন উলিয়াই দিয়া বাবে তেওঁলোক শলাগৰ পাত্ৰ। স্মৃতিগ্ৰন্থ উপসমিতিৰ এক বাচনি সমিতিয়ে নিৰ্বাচিত কৰি দিয়া লেখাসমূহহে প্ৰকাশৰ বাবে স্থান প্ৰাপ্ত হৈছে। ইচ্ছা স্বত্বেও যি সকল অৰিহণাকাৰীৰ লিখনিৰ বাবে স্মৃতিগ্ৰন্থত স্থান দিব পৰা নগ'ল তেখেতসকলৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ। স্মৃতিগ্ৰন্থ উপ-সমিতিয়ে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰা ড° গণেশ্বৰ চহৰীয়া, শ্ৰীমতী বিজয়া ডেকা আৰু শ্ৰীকমল নাৰায়ণ বৰুৱা লৈ আমি শলাগ যাচিছোঁ। অতি ততাতৈয়াকৈ সম্পাদনা আৰুছপাকাৰ্য সমাধা কৰাৰ বাবে বৈ যোৱা সকলো ভুলৰ বাবে সংশ্লিষ্ট সকলোৰে পৰা মাৰ্জনা বিচাৰি শতাব্দী দৰ্পণ খন ৰাইজলৈ নিবেদিছোঁ।

*বিঃদ্ৰঃ- ৬৮ নং খয়ৰুদ্দিন আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্শ উপলক্ষে প্ৰকাশিত 'শতাব্দী দৰ্পণ'ৰ সম্পাদকীয়।*

●●●